**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৩৬/২০২০**

## শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ ব্যৱস্থা পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## চাহ বাগিচা এলেকাত নিয়মিত চেনিটাইজেশ্যনৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৭ মাৰ্চ ঃ** শিৱসাগৰ আৰু চৰাইদেউ জিলাত ন'ভেল কৰ'না ভাইৰাচৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে পৰ্যালোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিৱসাগৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা সভাকক্ষত এখন বৈঠকত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে ক'ভিড-১৯ ৰ বিৰুদ্ধে দিয়া যুঁজত জয়লাভ কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি লক্-ডাউন পালনৰ বাবে আহ্বান জনাইছে। ইয়াৰ প্ৰতি সঁহাৰি জনাই ৰাইজে চৰকাৰ আৰু প্ৰশাসনে দিয়া নিৰ্দেশনা দায়িত্ব সহকাৰে আৰু দায়বদ্ধতাৰে পালন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে সামাজিক দূৰত্ব বজাই ৰখাৰ ক্ষেত্ৰত সকলোৱে গুৰুত্ব প্ৰদান কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে অত্যাৱশ্যকীয় সামগ্ৰীসমূহ ৰাইজে যাতে ঘৰতে লাভ কৰিব পাৰে তাৰ ব্যৱস্থা এটা গঢ়ি তুলিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৈঠকত জিলা প্ৰশাসনে কৰ'না ভাইৰাছ প্ৰতিৰোধৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে তাৰো বুজ লয়।

মুখ্যমন্ত্ৰীয়ে কয় যে সাম্প্ৰতিক পৰিস্থিতি মোকাবিলা কৰিবলৈ গঠন কৰা টাস্কফৰ্চে ৰাইজৰ সমস্যাসমূহ বুজি ল'ব লাগিব আৰু অতিশীঘ্ৰে সমস্যাসমূহ সমাধান কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে চাহ বাগিচা এলেকাত নিয়মিতভাৱে চেনিটাইজেশ্যনৰ ব্যৱস্থা কৰাৰ বাবেও প্ৰশাসনক নিৰ্দেশ দিয়ে। জনসচেতনতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণক অধিক সচেতন কৰাৰ বাবে মাইক যোগে প্ৰচাৰ অভিযান চলাই থাকিব লাগিব। স্বাস্থ্য বিভাগৰ কৰ্মীসকলে নিজে এই যুদ্ধত সন্মুখৰ পৰা যুঁজ দি আহিছে। সেইবাবে তেওঁলোকক উৎসাহিত কৰিব লাগিব। সমাজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী নিৰ্দেশাৱলী আখৰে-আখৰে পালন কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অন্যথা ৰাজ্য চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই বৈঠকত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, বিধায়কদ্বয় বিমল বৰা আৰু নৱনীতা সন্দিকৈ, শিৱসাগৰ জিলাৰ উপায়ুক্ত লক্ষ্মীনন্দন গগৈ, চৰাইদেউ জিলাৰ উপায়ুক্ত পলাশ ৰঞ্জন ঘৰফলীয়া, স্বাস্থ্য, পৰিবহন, খাদ্য আৰু অসামৰিক যোগান আৰু অন্যান্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ শেষত উপায়ুক্ত কাৰ্যলয় প্ৰাঙ্গনত মুখ্যমন্ত্ৰীগৰাকীয়ে এক সংবাদমেল সম্বোধন কৰে।

**ছংহাঃ / পুঃডেঃ / বীঃগঃ**
**২৭/০৩/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in